# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
# 0000000000

**Date :** 15-05-2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***
**Headlines**
**-------------------**

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গোৱালপাৰা জিলাৰ  বালিজানা চক্ৰ ভাগুৱা গাঁৱত প্ৰস্তাৱিত চিকিৎসা মহাবিদ্যালয়ৰ স্থান পৰিদৰ্শন কৰে। ড০ শৰ্মাই যাতায়াতৰ ব্যৱস্থা, অন্যান্য সা-সুবিধাকে ধৰি বিভিন্ন দিশৰ বুজ লৈ সকলো কাম নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে দ্বিতীয় এডভাণ্টেজ আচামত কৰা প্ৰতিশ্ৰুতি অনুসৰি বিলাসীপাৰাত তাপবিদ্যুৎ প্ৰকল্পৰ বাবে আৱণ্টিত ভূমিও পৰিদৰ্শন কৰে। তেওঁ এই প্ৰকল্পই ১০ হাজাৰৰো অধিক নিয়োগ সৃষ্টি তথা ৰাজ্যখনৰ শক্তি নিৰাপত্তাৰ দিশত উৎসাহ যোগাব বুলি আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে এই ভ্ৰমণৰ অংশ হিচাপে জিলাখনৰ ৰাক্ষসিনী অঞ্চলত প্ৰস্তাৱিত শক্তি উদ্যানৰ ভূমি পৰিদৰ্শন কৰে।   ৰাজ্যত বৰ্ধিত হাতী মানুহৰ সংঘাট সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰি ড০ শৰ্মাই গোৱালপাৰা জিলাৰ লগতে ৰাজ্যখনৰ বিভিন্ন ঠাইত সৌৰ বেৰাৰ ব্যৱস্থা কৰাৰ উপৰি হাতীৰ খাদ্যৰ বাবে উপযোগী গছপুলি ৰোপণৰ কথা উল্লেখ কৰে।

০০০

জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই আজি জলসম্পদ বিভাগৰ নগাঁও সংমণ্ডলত ৰহা আৰু বৰহমপুৰ বিধানসভা সমষ্টিত নিৰ্মিয়মান মথাউৰিসমূহৰ কামকাজৰ অগ্ৰগতিৰ বুজ লয়। হোজাই জিলাক বানমুক্ত কৰাৰ পদক্ষেপ হিচাপে কপিলী নৈৰ সোঁপাৰে খাৰিখানাৰ পৰা যোগীজানলৈ নিৰ্মাণ কৰি থকা নতুন মথাউৰি নিৰ্মাণ কাৰ্যৰ আজি মন্ত্ৰীগৰাকীয়ে পৰিদৰ্শন কৰে। প্ৰায় ৮৫ শতাংশ কাম সম্পূৰ্ণ হোৱা মথাউৰিটো নিৰ্মাণ সুকলমে আৰু নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পন্ন কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে সংবাদমাধ্যক জানিবলৈ দিয়ে। শ্ৰী হাজৰিকাই যমুনা মুখৰ চিকামাৰি আৰু কমাৰগাঁৱত কপিলী নৈৰ ভগ্ন মথাউৰি পৰিদৰ্শন কৰি বাৰিষাৰ আগতে দুয়ো ঠাইতে মথাউৰি নিৰ্মাণৰ প্ৰতিশ্ৰুতি দিয়ে। বিভাগীয় বিষয়াসকলক এই বিষয়ে নিৰ্দেশ দি মন্ত্ৰী শ্ৰী হাজৰিকাই বৰহমপুৰ সমষ্টিৰ অন্তৰ্ভুক্ত যমুনামুখত ১০ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰি নিৰ্মাণ কৰা হ'ব বুলি অৱগত কৰে। মন্ত্ৰীগৰাকীয়ে  ঠেপলাগুৰিত নিৰ্মিয়মান মথাউৰিৰ কামৰ অগ্ৰগতিৰো বুজ লয়।

০০০

মণিপুৰৰ ভাৰত-ম্যানমাৰ সীমান্তৱৰ্তী চান্দেল জিলাৰ খেনজয় মহকুমাৰ নিউ চোমতাল গাঁৱত অসম ৰাইফলছৰ জোৱানৰ সৈতে হোৱা সংঘৰ্ষত কমেও ১০ জন সন্দেহযুক্ত উগ্ৰপন্থী গোটৰ সদস্য নিহত হয়। সেনাৰ ইষ্টাৰ্ণ কমাণ্ডে সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰকাশ কৰা অনুসৰি চোৰাংচোৱাৰ তথ্যৰ ভিত্তিত জোৱানসকলে এই অঞ্চলটোত অভিযান চলোৱাৰ সময়তে সন্দেহযুক্ত গোটটোৰ সদস্যসকলে সেনা-জোৱানসকলক উদ্দেশ্যি গুলীচালনা কৰে। প্ৰত্যুত্তৰত সেনাৰ গুলীচালনাত ১০ জন সদস্যৰ মৃত্যু হয়। অঞ্চলটোৰ পৰা বুজন পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ আৰু গুলী-বাৰুদ উদ্ধাৰ কৰা হয়।  অসম ৰাইফলছৰ সূত্ৰই প্ৰকাশ কৰা মতে, এই অভিযানৰ ইতিমধ্যে অন্ত পৰিছে আৰু মৃতদেহ কেইটা চিনাক্তকৰণৰ বাবে ৰখা হৈছে। অভিযানত নিৰাপত্তা বাহিনীৰ কোনো জোৱান হতাহত হোৱা নাই বুলি সূত্ৰটোত প্ৰকাশ পাইছে।

০০০

শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী ডঃ ৰণোজ পেগুৱে আজি ধেমাজিৰ চমৰাজানৰ ভজু গাঁৱত ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত নিৰ্মাণ কৰা কালভাৰ্টটো পৰিদৰ্শন কৰি নিৰ্মাণ কাৰ্যৰ বুজ লয়। বাৰিষাৰ সময়ত জীয়াঢল নৈৰ সুঁতি ব্ৰহ্মজানৰ বাঢ়নি পানীয়ে যাতায়াত ব্যৱস্থাত সৃষ্টি কৰা সমস্যাৰ পৰিপ্ৰেক্ষিতত এই কালভাৰ্টটো নিৰ্মাণৰ ব্যৱস্থা কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে নিৰ্মাণকাৰী প্ৰতিস্থানক বাৰিষাৰ আগতে নিৰ্মাণ কাৰ্য শেষ কৰিবলৈ নিৰ্দেশ দিছে।

০০০

অসম সাহিত্য সভাৰ ২০২৫ -২০২৭ বৰ্ষৰ কাৰ্যনিৰ্বাহক সমিতিয়ে গ্ৰহণ কৰা সেঁতুবন্ধ কাৰ্যসূচী অহা ১৭, ১৮ আৰু ১৯ মে'ত কাছাৰ, শ্ৰীভূমি আৰু হাইলাকান্দি জিলাত আয়োজন কৰা হৈছে। দেশৰ বিভিন্ন জাতি জনগোষ্ঠীৰ মাজত একতাৰ এনাজৰী সুদৃঢ় কৰিবলৈ অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিয়ে সেঁতুবন্ধ কাৰ্যসূচী ৰূপায়ণৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। সেই অনুসৰি অসম সাহিত্য সভাৰ সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামীৰ নেতৃত্বত আৰু অসম সাহিত্য সভাৰ স্বজাতীয় মৈত্ৰী বন্ধন উপ সমিতিৰ সৌজন্যত কাচাৰ, শ্ৰীভূমি আৰু হাইলাকান্দি জিলাত চতুৰ্থ সেঁতুবন্ধ যাত্ৰা আৰম্ভ কৰা হ'ব। এই অনুষ্ঠানত বৰাক উপত্যকাৰ ভাষা সাহিত্য, কৃষ্টি সংস্কৃতিৰ লগতে অন্যান্য বিষয় সন্দৰ্ভত অধ্যয়ন কৰাৰ লগতে বিশিষ্ট নাগৰিক, কবি, সাহিত্যিক, সাংবাদিক, সাংস্কৃতিক কৰ্মী, বুদ্ধিজীৱী আদিৰ সতেও মত বিনিময় কৰা হ'ব। অনুষ্ঠানত ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰী আৰু বিধায়কসকলে অংশ ল'ব বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। শিলচৰৰ অসম বিশ্ববিদ্যালয় চৌহদত ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ এটা প্ৰতিমূৰ্তি স্থাপনৰ বাবে সভাৰ প্ৰধান সম্পাদকৰ নেতৃত্বত এটা দলে ১৯ মে'ত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্যক সাক্ষাৎ কৰি এই সন্দৰ্ভত আলোচনাত মিলিত হ'ব। বিষয়টো সন্দৰ্ভত সভাই উপাচাৰ্যগৰাকীক এখন পত্ৰ প্ৰদান কৰিব। তদুপৰি বিশ্ববিদ্যালয়খনৰ এটি প্ৰেক্ষাগৃহ ডঃ ভূপেন হাজৰিকাৰ নামেৰে নামকৰণ কৰা আৰু বিশ্ববৰেণ্য শিল্পীগৰাকীৰ জন্ম শতবৰ্ষ পালনৰ কাৰ্যসূচীৰ আয়োজন কৰাৰ বাবে সাহিত্য সভাৰ দলটোৱে উপাচাৰ্যগৰাকীক আহ্বান জনাব।

০০০

কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ ১৬৪ সংখ্যক জয়ন্তীৰ লগত সংগতি ৰাখি অসম ভাষিক সংখ্যালঘু উন্নয়ন পৰিষদৰ দ্বাৰা আয়োজিত ৰবীন্দ্ৰ নৃত্য আৰু ৰবীন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হয়। ৰাজ্যৰ ২০ টা কেন্দ্ৰৰ পৰা নিৰ্বাচিত হোৱা ৩৬০ গৰাকী অংশগ্ৰহণকাৰীৰ ভিতৰত ৰাজ্যিক পৰ্যায়ৰ চূড়ান্ত প্ৰতিযোগিতাত ২১ গৰাকী অংশগ্ৰহণকাৰীক বিজয়ী ঘোষণা কৰা হয়। প্ৰতিযোগিতাত মুঠ ছহেজাৰ ২৫৩ গৰাকী প্ৰতিযোগীয়ে ভাগ লৈছিল। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিজয়ীসকলক অভিনন্দন জনোৱাৰ লগতে অংশগ্ৰহণকাৰীসকলকো শুভেচ্ছা জনায়।

০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃঃঃঃঃ